# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 1-07-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::::::**

## HEADLINES

আকাশবাণী গুৱাহাটীৰ আজি ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিষ্ঠানটোৰ সৈতে জড়িত লোকসকলৰ লগতে শ্ৰোতাৰ প্ৰতিও শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত তেওঁ কয় যে ৰেডিঅ'ৰ প্ৰতি মানুহৰ আবেগ তাহানিতে যেনে আছিল, আজিও একেই আছে। প্ৰতিষ্ঠানটোৰ জন্মলগ্নৰ সৈতে জড়িত লোকসকলকো মুখ্যমন্ত্ৰীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰে।

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আজি বিভিন্ন কাৰ্যসূচীৰ লগতে **উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ গাথা** শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হৈছে। আলোচনাচক্ৰ উদ্বোধন কৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ ভাটনাগৰে কয় যে আকাশবাণী জনগণৰ কণ্ঠ হৈ আছে। বিগত সময়ৰ দৰেই আকাশবাণীয়ে নিজৰ গৰিমা অক্ষুণ্ণ ৰাখিছে। আলোচনাচক্ৰত নেডফিৰ কাৰ্যবাহী সঞ্চালক এছ্‌ কে বৰুৱা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰিবেশ আৰু বহনক্ষম শাখাৰ মুৰববী সিদ্ধাৰ্থ ফুকন, ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষীৰ অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰদীপ কুমাৰ আৰু গুৱাহাটী এইমছৰ কাৰ্যবাহী সঞ্চালক ডাঃ অশোক পুৰাণিকে অংশগ্ৰহণ কৰা এই অনুষ্ঠানৰ আঁত ধৰিছে গুৱাহাটীৰ পি আই বিৰ অতিৰিক্ত সঞ্চালকপ্ৰধান জেনে নামছুয়ে। ইয়াৰ পাছতে প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অন্তৰংগ আলাপ অনুষ্ঠিত কৰা হ'ব। সন্ধিয়া সুৰৰ শৰাই শীৰ্ষক অনুষ্ঠানত বিদ্যুৎ কুমাৰ মিশ্ৰই বেহেলা বাদনৰ লগতে মিৰাণ্ডা চৌধুৰী, পুলক বেনাৰ্জী আৰু ডলী ঘোষ সাধ্যই সংগীত পৰিবেশন কৰিব। এই অনুষ্ঠানতে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা বাতৰি পঢ়া প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰাৰ লগতে পুৰস্কৃত কৰা হ'ব।

ইফালে, প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদত আজি আকাশীস্পন্দন শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনৰ নৱম সংখ্যাটি উন্মোচন কৰা হয়। বিশিষ্ট কণ্ঠশিল্পী পাহাৰী দাসে পত্ৰিকা উন্মোচন কৰা অনুষ্ঠানটিত লেখক, অধ্যাপক কিশোৰ মোহন ভট্টাচাৰ্য, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিল্পী মণি বৰদলৈৰ লগতে কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

oooooo

সমগ্ৰ দেশজুৰি আজিৰ পৰা তিনিখন নতুন ফৌজদাৰী আইন ক্ৰমে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম বলবৎ হৈছে। কেন্দ্ৰীয় চৰকাৰে এই পৰিপ্ৰেক্ষিতত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সৈতে নিয়মীয়াকৈ বৈঠক অনুষ্ঠিত কৰিছে আৰু সকলোৱে এই নতুন ফৌজদাৰী আইন কেইখন ৰূপায়ন কৰাৰ ক্ষেত্ৰত প্ৰযুক্তি, দক্ষতা নিৰ্মাণ তথা সজাগতা বৃদ্ধি কৰাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈছে। নতুন আইন কেইখন ৰূপায়ন কৰাৰ বাবে আৰক্ষী আৰু অনুসন্ধান প্ৰাধিকৰণক সকলো ধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। আকাশবাণী আৰু দূৰদৰ্শনৰ বাতৰি, অনুষ্ঠান, আলোচনা তথা সামাজিক মাধ্যমৰ জৰিয়তে এই সন্দৰ্ভত বিশদ বিশ্লেষণ কৰা হৈছে। তদুপৰি জনসাধাৰণক এই বিষয়ে অৱগত কৰাৰ উদ্দেশ্যে বিভিন্ন ধৰণৰ আলোচনা, তথ্য সমৃদ্ধ ৱেব

চাইট, মন্ত্ৰী পৰ্যায়ৰ ৱেবিনাৰ আদিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে বিদ্যালয় আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ পাঠ্যক্ৰমত এই বিষয়সমূহ অন্তৰ্ভুক্ত কৰাৰ বাবেও প্ৰয়াস কৰা হৈছে।

নতুন ফৌজদাৰী আইন কেইখনে প্ৰযুক্তিৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় অপৰাধ সংগ্ৰহ ব্যুৰ'ৰে বৰ্তমান কাৰ্যক্ষম হৈ থকা ক্ৰাইম এণ্ড ক্ৰিমিনেল ট্ৰেকিং নেটৱৰ্কছ এণ্ড চিষ্টেমছ চমুকৈ চিচিটিএনএছ এপ্লিকেচনত ২৩টা সংশোধন কৰিব।

০০০০০০

ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকৰ সিদ্ধান্ত অনুসৰি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল আৰু বিত্তমন্ত্ৰী অজন্তা নেওগক লৈ গঠিত কেবিনেট সমিতিয়ে আজি তেজপুৰ অভিৰৰ্তন কেন্দ্ৰত সামগ্ৰী আৰু সেৱাকৰ বিষয়ত মধ্য অসমৰ কেইবাখনো জিলাৰ বাণিজ্য আৰু ব্যৱসায়িক সংস্থাসমূহৰ সৈতে বাৰ্তালাপত অংশগ্ৰহণ কৰে। ৰাজ্যৰ কেইবাটাও স্থানত অনুষ্ঠিত হ'বলগীয়া আঞ্চলিক পৰামৰ্শমূলক আলোচনাৰ এইখন তৃতীয়খন বৈঠক। অনুষ্ঠানত বাণিজ্য সংস্থাসমূহৰ প্ৰতিনিধিসকলে জি এছ টিৰ অধীনত প্ৰদান কৰা জাননী সন্দৰ্ভত তেওঁলোকে সন্মুখীন হোৱা বিভিন্ন অসুবিধাৰ কথা মন্ত্ৰীদ্বয়ক অৱগত কৰাৰ লগতে কৰ পৰিশোধ ব্যৱস্থাৰ সৰলীকৰণ কৰাকে ধৰি বিভিন্ন ধৰণৰ পৰামৰ্শ প্ৰদান কৰে। নিজৰ ব্যক্তব্যত মন্ত্ৰী সিংহলে কয় যে কৰদাতাসকলৰ স্বাৰ্থ, সুৰক্ষা, বৰ্তমানৰ চৰকাৰখনৰ বাবে সদায়ে অগ্ৰাধিকাৰৰ বিষয়। ৰাজ্য চৰকাৰে সদায়ে ব্যৱসায়ীসকলৰ লগত আছে বুলি মন্তব্য কৰি তেওঁ কয় যে ব্যৱসায়ীসকলে বিভিন্ন ক্ষেত্ৰত সন্মুখীন হোৱা অসুবিধাসমূহ কাৰ্যকৰীভাৱে দূৰ কৰাৰ বাবে চৰকাৰ বদ্ধপৰিকৰ। ৰাজ্যৰ ব্যৱসায়ীসকলৰ লাভালাভৰ বিষয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত জি এছ টি প্ৰৱৰ্তন কৰা হৈছিল। অসমক দেশৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ এখন হিচাপে গঢ় দিবলৈ হ'লে ব্যৱসায়ীসকলক লগত লৈ আগবাঢ়িব লাগিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। জি এছ টিৰ অধীনত প্ৰদান কৰা জাননী সন্দৰ্ভত ব্যৱসায়ীসকলৰ আশংকা দূৰ কৰিবলৈ তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট আৰু শিলচৰত পৰৱৰ্তী আলোচনা অনুষ্ঠিত কৰি এমাহৰ ভিতৰত মন্ত্ৰীদ্বয়ে প্ৰতিবেদন দাখিল কৰিব।

০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে আইচিচি-টি টুৱেণ্টি বিশ্বকাপৰ খিতাপ জয় কৰাৰ বাবে ভাৰতীয় দললৈ ১২৫ কোটি টকাৰ প্ৰাইজমানি ঘোষণা কৰিছে। শনিবাৰৰ নিশা কেনচিংটন অ'ভেলত ভাৰতৰ ঐতিহাসিক জয়ৰ পাছতে বিচিচিআইৰ সচিব জয় শ্বাহে এই কথা ঘোষণা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীশ্বাহে কয় যে ভাৰতীয় দলে সমগ্ৰ টুৰ্ণামেণ্টখনতে ব্যতিক্ৰমী প্ৰতিভা, দৃঢ়তা তথা খেলুৱৈ সুলভ মানসিকতা প্ৰদৰ্শন কৰে। শ্ৰীশ্বাহে লগতে সকলো খেলুৱৈ, প্ৰশিক্ষক আৰু দলৰ সহযোগীসকলক এই উল্লেখনীয় কৃতিত্বৰ বাবে শুভেচ্ছা জনায়।

০০০০০০

ঃসমাপ্তঃ